## পাঠ - ১৩

Q1D3V1

## তথ্য সংগ্ৰহ

এখন বিদ্যালয়ৰ খেল পথাৰত বিভিন্ন ধৰণৰ খেল খেলি থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তলত দিয়া ধৰণৰ






| খেলৰ নাম | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| বল খেল | ৮ |
| লুকা-ভাকু | ১৫ |
| ৰছী টনা | ১০ |
| পাৰ পানী | ৭ |
| অলং-দলং | ১২ |







ওপৰৰ তালিকাখন চাই তলৰ প্ৰশ্নৰ উত্তৰ লিখা

(ক) কোনটো খেল বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে খেলি আছে? ........................................

(খ) কোনটো খেল আটাইতকৈ কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে খেলি আছে? ........................

(গ) ৰছী টনা খেল আৰু অলং-দলং খেলত মুঠতে কিমানজন ছাত্ৰ-ছাত্ৰী আছে? ................

(ঘ) বল খেলি থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, ৰছী টনা খেল খেলি থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাতকৈ কিমান কম? ....................

(ঙ) খেল খেলি থকা ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা কিমান? ........................................

এটা চুবুৰিৰ গৰু, ছাগলী, হাঁহ আৰু কুকুৰা পোহা ঘৰৰ সংখ্যা তলত দিয়া ধৰণৰ

| প্ৰাণীৰ নাম | ঘৰৰ সংখ্যা |
|---|---|
| গৰু | ১৬ |
| ছাগলী | ১২ |
| কুকুৰা | ২৫ |
| হাঁহ | ১০ |



(ক) কোনবিধ প্ৰাণী আটাইতকৈ বেছি সংখ্যক ঘৰত পোহে? ______

(খ) আটাইতকৈ কম সংখ্যক ঘৰত পোহা প্ৰাণীবিধৰ নাম কি? ______

(গ) হাঁহ আৰু কুকুৰা পোহা ঘৰৰ সংখ্যা কিমান? ______

(ঘ) চুবুৰিত পোহনীয়া প্ৰাণী পোহা মুঠ ঘৰৰ সংখ্যা কিমান? ______

এখন বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল কৰ্ম-শিক্ষা পিৰিয়ডত কৰা কামৰ এখন তালিকা দিয়া হ'ল।

| কামৰ তালিকা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| ৰুমালত ফুল তোলা | ১২ জন |
| মাটিৰে আম সজা | ৮ জন |
| কাগজৰ খাম তৈয়াৰ কৰা | ৭ জন |
| বাঁহৰ স্কেল তৈয়াৰ কৰা | ৩ জন |



(ক) আটাইতকৈ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কৰা কামটো কি?

(খ) আটাইতকৈ কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কৰা কামটো কি?

এখন বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰিয় কিতাপৰ তথ্য তলত দিয়া ধৰণৰ
(ছাত্ৰ-ছাত্ৰীৰ তথ্য ☺ ৰ দ্বাৰা দেখুওৱা হৈছে)


| প্ৰিয় কিতাপৰ নাম | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| বুঢ়ী আইৰ সাধু | ☺☺☺☺☺☺ |
| পঞ্চতন্ত্ৰৰ সাধু | ☺☺☺☺ |
| শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট | ☺☺☺☺ |
| ককা আৰু নাতি ল'ৰা | ☺☺☺ |
| ঈছপৰ সাধু | ☺☺☺☺☺ |



তালিকাখন চাই লিখা

- কোনখন সাধু কিতাপ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰ প্ৰিয় ? ____________
- পঞ্চতন্ত্ৰৰ সাধু কিতাপখন পঢ়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান ? ____________
- ঈছপৰ সাধু আৰু ককা আৰু নাতিল'ৰা কিতাপ দুখন পঢ়া মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান ?
------------------------

থালত দেখা বস্তুবোৰ গণনা কৰা আৰু প্ৰতিটো বস্তু কেইটাকৈ আছে দাগচিহ্নৰে বুজোৱা




| বস্তু | দাগচিহ্ন |
|---|---|
| কিলিপ | \|\|\|\|\|\| |
| বুটাম | |
| পেঞ্চিল | |
| চক | |
| মণি | |


**কোন কিমান ওখ চাওঁ আহা**

মালতী, উৰ্মি, যোচেফ, ৰিজোৱান, চম্পা আৰু জুনিচে লগ লাগি ইজনে সিজনৰ উচ্চতাৰ জোখ লওঁতে জোখবোৰ তলত দিয়া ধৰণে পালে

| নাম | উচ্চতা (চেণ্টিমিটাৰত) |
|---|---|
| মালতী | ১১০ চেণ্টিমিটাৰ |
| উৰ্মি | ১১২ চেণ্টিমিটাৰ |
| যোচেফ | ১১৬ চেণ্টিমিটাৰ |
| ৰিজোৱান | ১১৩ চেণ্টিমিটাৰ |
| চম্পা | ৯৮ চেণ্টিমিটাৰ |
| জুনিচ | ১০৯ চেণ্টিমিটাৰ |



**ওপৰৰ তথ্যসমূহ চাই চাপৰৰ পৰা ওখ ছাত্ৰ-ছাত্ৰীৰ নামবোৰ সজোৱা**





**তথ্য চাই লিখা**

(ক) কোন আটাইতকৈ ওখ?

(খ) জুনিচ আৰু ৰিজোৱানৰ মাজত কোন চাপৰ?

(গ) চম্পাতকৈ উৰ্মি কিমান ওখ?

## পাতৰ জোখবোৰ লওঁ আহা




চিত্রত দেখুওৱা ধৰণে বিভিন্ন পাতবোৰ জুখি কিমান দীঘল লিখা।

**তুমি পোৱা তথ্যৰ পৰা তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা**

- কোনটো পাত আটাইতকৈ দীঘল? [ ]
- কোনটো পাত আটাইতকৈ চুটি? [ ]
- নিমপাতটো কিমান দীঘল? [ ] চেণ্টিমিটাৰ
- মধুৰিআমৰ পাত আৰু কঁঠালৰ পাতৰ মাজত কোনটো পাত দীঘল আৰু কিমান বেছি দীঘল লিখা। [ ] [ ] চেণ্টিমিটাৰ

*শিক্ষকলৈ নিৰ্দেশনা ঃ ছাত্ৰ-ছাত্ৰীয়ে সহজতে পোৱা পাত গোটাই এই ক্ৰিয়াকলাপটো কৰাব।*